# অসম আদিত্য

কাতি, ১৯৪৭ শক ■ সোমবাৰ, ২০ অক্টোবৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Monday, October 20, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী


## মৃত্যু দেহৰ হ'ব পাৰে, কিন্তু আদৰ্শৰ নহয় ঃ ড° শইকীয়া

### নৰেশ্বৰ মাহাত্তাৰ স্মৃতিচাৰণ



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৯ অক্টোবৰ ঃ** মৃত্যু দেহৰ হ'ব পাৰে, কিন্তু আদৰ্শৰ কেতিয়াও মৃত্যু নহয়। নৰেশ্বৰ মাহাত্তাৰ জীৱনৰ আদৰ্শ, অনুপ্ৰেৰণা মানৱীয় চিন্তা-চেতনা ইমানেই প্ৰভাৱশালী আছিল যে নতুন প্ৰজন্মৰ মগজুত ই চিৰকাল থাকিব। নৰেশ্বৰ মাহাত্তা কুৰ্মি জনগোষ্ঠীৰ ইতিহাসৰ কেৱল এজন নেতাৰ নাম নহয়, ই এক সংস্কৃতি, পৰিচয় আৰু সামাজিক চিন্তা-চেতনা, এক জাগৰণৰ প্ৰতীক। জীৱন শিক্ষাৰে শিক্ষিত তেওঁ আছিল একতাৰ প্ৰতীক। তেওঁ শিক্ষা, জ্ঞান, সংস্কাৰেৰে সমাজক আগুৱাই নিয়াৰ সপোন দেখিছিল। বিশিষ্ট সমাজকৰ্মী ডিব্ৰুগড় জিলা কুৰ্মি সমাজৰ জন্মলগ্নৰে পৰা ওতপ্ৰোতভাৱে জড়িত হৈ থকা, এগৰাকী আদৰ্শৱান ব্যক্তি, ডিব্ৰুগড় জিলাৰ টিমনাৰ এগৰাকী পোহৰৰ প্ৰতীক নৰেশ্বৰ মাহাত্তাৰ নিজ বাসগৃহৰ আদ্যশ্ৰাদ্ধত প্ৰকাশিত স্মৰণিকাখন উন্মোচন কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, কৰ্মসূৰ্য ড০ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। ডিব্ৰুগড় জিলা কুৰ্মি সমাজৰ সভাপতি হৰিং কুৰ্মিৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা, ভৱেন মাহাত্তা আৰু দিগন্ত মাহাত্তাৰ সম্পাদনাত প্ৰকাশিত স্মৰণিকাখন উন্মোচন কৰি অধ্যক্ষ ড০ শইকীয়াই কয়— নৰেশ্বৰ মাহাত্তাৰে কেৱল কুৰ্মি সমাজৰে নহয়, সমগ্ৰ অসমীয়া সমাজখনৰ বাবে সম্প্ৰীতি, একতা, সমন্বয়, সহযোগিতাৰ মাধ্যমেৰে সংস্কাৰৰ হকে কাম কৰি গ'ল। ডিব্ৰুগড় জিলা কুৰ্মি সমাজৰ সম্পাদক জগত কুৰ্মিয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত তেওঁ কয় যে মাহাত্তাৰ জীৱনৰ আদৰ্শই আছিল মানুহৰ বাবে, সমাজৰ বাবে, দেশ-জাতিৰ বাবে জীয়াই থকাৰ, সেৱা কৰাৰ উপাসনা। প্ৰয়াত মাহাত্তা এগৰাকী সমাজ চিন্তক, সমাজৰ সাহস, চকুত কেৱল উন্নয়নৰ দিশ আৰু কৰ্মত আছিল প্ৰচণ্ড শক্তিৰ অধিকাৰী। নৰেশ্বৰ মাহাত্তাৰ জীৱনৰ ওপৰত প্ৰকাশিত স্মৰণিকাখনি কাগজৰ পৃষ্ঠাত থকা মাথোঁ এটা শব্দৰ সংগ্ৰহ নহয়, ই এক জীৱন্ত দিশ, পথ-প্ৰদৰ্শক আৰু মানৱ সমাজৰ অন্তৰআত্মাৰ দলিল। তেওঁ কয় যে এখন সমাজ গঢ়িবলৈ প্ৰথমে নিজে অন্তৰৰ গভীৰলৈ জুমি চোৱা প্ৰয়োজন। সেয়া নৰেশ্বৰ মাহাত্তাৰে আদৰ্শ হিচাপে দেখুৱাই গৈছিল বুলি উল্লেখ কৰি তেওঁ কয়— এজন নেতাৰ মৃত্যু হ'ব পাৰে কিন্তু তেওঁৰ আদৰ্শ চিৰদিন প্ৰজন্ম আৰু প্ৰজন্মৰ মাজত নতুন ৰূপত জিলিকি থাকে। প্ৰকাশিত গ্ৰন্থখন নতুন প্ৰজন্মৰ, নতুন মনৰ, নতুন সমাজৰ, নতুন দিশৰ এক দিশ নিৰ্ণায়ক তথা নক্ষত্ৰ বুলি উল্লেখ কৰি তেওঁ কয়— এয়া কেৱল স্মৃতিগ্ৰন্থ উন্মোচনৰ, স্মৃতিচাৰণ কৰাৰ এক অনুষ্ঠান নহয়, ই এক অন্তৰস্পৰ্শী চিন্তা, দৰ্শন, সপোনৰ যাত্ৰা বুলিও উল্লেখ কৰি কয়— এক মহান আত্মাৰ স্মৃতিত এচাম আদৰ্শৱান মানুহ সমবেত হৈ শ্ৰদ্ধাঞ্জলি জনোৱাতো নিশ্চয় এক বিৰল ঘটনা। ড০ শইকীয়াই সভাত মৃত্যু সম্পৰ্কে কৰা বিভিন্ন ধৰ্মৰ বাণীৰে সকলোকে উদ্বুদ্ধ কৰি তেওঁ মৃত্যু সম্পৰ্কত উল্লেখ কৰি কয় যে মৃত্যু মানে শেষ নহয়, মৃত্যু হৈছে জীৱনৰ এটা কবিতা য'ত শেষ শব্দটোৱে নতুন আৰম্ভণিৰ দুৱাৰ খোলে। নৰেশ্বৰ মাহাত্তাৰ জীৱনৰ ক্ষেত্ৰতো তেনে দেখা গৈছে বুলি উল্লেখ কৰে। স্মৰণিকা উন্মোচনৰ পূৰ্বে অধ্যক্ষ ড০ শইকীয়াই প্ৰয়াত নৰেশ্বৰ মাহাত্তাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পমাল্য অৰ্পণ কৰে। সভাত ডিব্ৰুগড় জিলা কুৰ্মি সমাজ, তিনিচুকীয়া জিলা কুৰ্মি সমাজ, অসম কুৰ্মি মহিলা পৰিষদ কেন্দ্ৰীয় সমিতি আৰু অসম কুৰ্মি সমাজৰ জ্যেষ্ঠ নাগৰিকসকলে পৰিয়ালক শ্ৰদ্ধাঞ্জলি-পত্ৰ প্ৰদান কৰে। সভাত অসম কুৰ্মি সমাজৰ জ্যেষ্ঠ নাগৰিক সমিতিৰ সভাপতি লক্ষীৰাম কুৰ্মি, তিনিচুকীয়া জিলা কুৰ্মি সমাজৰ সভাপতি প্ৰকাশ কুৰ্মি, কেন্দ্ৰীয় সমিতিৰ সদস্য সুৰেশ কুৰ্মি, অসম কুৰ্মি মহিলা পৰিষদৰ উপ-সভানেত্ৰী বেলিমাই কুৰ্মিয়ে নৰেশ্বৰ মাহাত্তাৰ জীৱনৰ ওপৰত মননশীল বক্তব্য প্ৰদান কৰে। সভাত সমগ্ৰ অসমৰ বিভিন্ন প্ৰান্তৰ কুৰ্মি সমাজৰ জ্যেষ্ঠ, কনিষ্ঠ বিষয়ববীয়াসকলৰ লগতে কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা কমলেশ্বৰ কুৰ্মি, ডিব্ৰুগড় জিলাৰ কোষাধ্যক্ষ তপন কুৰ্মি, টেংগ্ৰাখাত আঞ্চলিকৰ সভাপতি ললিত কুৰ্মিকে ধৰি কুৰ্মি সমাজৰ বলো কুৰ্মি, দয়াল মাহাত্তা, ডিব্ৰুগড়, তিনিচুকীয়া, চৰাইদেউ জিলা মহিলা কুৰ্মি সমাজৰ বিষয়ববীয়াকে ধৰি কেইবাশতাধিক গণ্যমান্য ব্যক্তি উপস্থিত থাকি নৰেশ্বৰ মাহাত্তাৰ জীৱনৰ ওপৰত আলোকপাত কৰাৰ লগতে তেওঁৰ সান্নিধ্যৰ স্মৃতি ৰোমন্থন কৰে।